**REGIONAL NEWS UNIT**
AKASHVANI GUWAHATI
0000000000

**Date : 21-11-2025** **Time : 21-25 Hrs**

**ASSAMESE NIGHT BULLETIN**

**::::::::::::::::::**

গুৱাহাটী টেষ্টৰ বাবে বৰ্তমানলৈ ২০ হাজাৰতকৈও অধিক টিকট বিক্ৰী হোৱা বুলি অসম ক্ৰিকেট সংস্থাই জানিবলৈ দিছে।

কাইলৈ হ'বলগীয়া ক্ৰিকেট টেষ্ট মেচ খনৰ বাবে গুৱাহাটীত যান-বাহন চলাচলৰ বাবে বিশেষ নিৰ্দেশ জাৰি কৰা হৈছে। সেই অনুসৰি কাইলৈ পুৱা ৬ বজাৰ পৰা বৰ্ষাপাৰাৰ সমীপৰ পথত বাণিজ্যিক বাহনৰ চলাচলত বাধা আৰোপ কৰা হৈছে। বি কে কাকতি পথ, এ কে আজাদ পথ, কুল বসুমতাৰী পথ, ভূপেন হাজৰিকা পথ, মৰা ভৰলু পথ, বিৰুবাৰী পথ, পণ্ডিত দিনদয়াল উপাধ্যায় পথ আৰু আৰ কে চি পথত কাইলৈ বাণিজ্যিক বাহনৰ চলাচল বন্ধ থাকিব। একেদৰে লালগণেশ পথ আৰু কুল বসুমতাৰী পথো ৱান ৱে কৰা হৈছে। অৱশ্যে জৰুৰীকালীন সেৱা, স্থানীয় লোক, বিদ্যালয় বাহনৰ চলাচলত বাধা নাথাকিব।

০০০০০০০

জুবিন গাৰ্গৰ মৃত্যুৰ তদন্তৰ বাবে চৰকাৰে গঠন কৰি দিয়া ন্যায়িক আয়োগৰ ভিন্নজনৰ সাক্ষ্য গ্ৰহণ প্ৰক্ৰিয়াৰ আজি অন্ত পৰে। ন্যায়াধীশ সৌমিত্ৰ শইকীয়াৰ এজনীয়া ন্যায়িক আয়োগে তিনি নৱেম্বৰৰ পৰা সাক্ষ্য গ্ৰহণ কৰিছিল।

আজি বিয়লি চাৰি বজা পৰ্যন্ত, ন্যায়িক আয়োগে জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনা সন্দৰ্ভত বহুকেইটা দল-সংগঠন তথা কেইবাগৰাকী ব্যক্তিসহ মুঠ ৩৯খন শপতনামা তথা সাক্ষ্য গ্ৰহণ কৰে। ন্যায়িক আয়োগে তিনি নৱেম্বৰৰ পৰা আজিৰ দিনটোলৈ জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনা সন্দৰ্ভত তথ্য দাখিলৰ বাবে সময়সীমা বান্ধি দিছিল। আজি অন্তিম দিনটোত শিলচৰৰ গৱেষক ছাত্ৰ অসীম হাজৰিকা, কৃষক মুক্তি সংগ্ৰাম সিমিতিৰ প্ৰতিনিধি, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ প্ৰাক্তন নেতা পলাশ ৰঞ্জন বৰুৱা, বজালীৰ এজন প্ৰাক্তন সৈনিকৰ লগতে প্ৰাঞ্জল শৰ্মা আৰু ঋত্বিক শইকীয়া নামৰ এজন লোকে শপতনামা দাখিল কৰে। ন্যায়িক আয়োগত আজি বিৰোধী দলপতি দেৱব্ৰত শইকীয়াৰ হৈ ঋতম সিঙে অন্তিমখন শপতনামা দাখিল কৰে।

০০০০০০০

ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য্যই ডিব্ৰুগড় জিলাৰ চাবুৱাত শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয় আন্তগাঁথনিৰ নিৰ্মাণ কাৰ্য্য পৰিদৰ্শন কৰে। পৰিদৰ্শনৰ পাছত ক্ৰীড়া বিশ্ববিদ্যালয়খন প্ৰতিষ্ঠা হোৱা ৭টা বছৰ অতিক্ৰম কৰাৰ পাছতো আন্তগাঁথনিৰ ক্ষেত্ৰত কোনো ধৰণৰ অগ্ৰগতি লাভ নকৰাত ৰাজ্যপালগৰাকীয়ে ক্ষোভ প্ৰকাশ কৰে। এই সন্দৰ্ভত অহা মাহৰ পৰা বিশ্ববিদ্যালয়খনৰ নিৰ্মাণ, নিযুক্তি, শিক্ষা ব্যৱস্থাকে ধৰি সকলো দিশ সামৰি ৰাজভৱনত পৰ্যালোচনা বৈঠক অনুষ্ঠিত কৰাৰ বাবে নিৰ্দেশনা জাৰি কৰে। উল্লেখযোগ্য যে, পূৰ্বৰ

মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ দিনতে এই বিশ্ববিদ্যালয়খন প্ৰতিষ্ঠা কৰা হৈছিল। বৰ্তমান বিশ্ববিদ্যালয়খনত উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্য কেইখনৰ লগতে দেশৰ প্ৰায় ৭খন ৰাজ্যৰ শিক্ষাৰ্থীয়ে শিক্ষা গ্ৰহণ কৰি আছে।

০০০০০০০

তিনিচুকীয়াত আজি দুটা ব্যৱসায়িক প্ৰতিষ্ঠানৰ ৪৬ কোটি টকাৰ কৰ ফাকিৰ অভিযোগৰ হেতু জি এছ্ টি বিভাগে এটা বৃহৎ অভিযান চলায়। চহৰখনৰ ডি টি এছ্ এণ্টাৰ প্ৰাইজ আৰু সবুজ পালৰ ব্যৱসায় প্ৰতিষ্ঠানত গুৱাহাটীৰ পৰা যোৱা এটা ৮জনীয়া দলে এই অভিযান চলাই কেতবোৰ আপত্তিজনক নথিপত্ৰ জব্দ কৰে। সকলো অভিযুক্তকে ২৬ নৱেম্বৰত গুৱাহাটীৰ কৰ ভৱনত উপস্থিত হ'বলৈ জি এছ্ টি বিভাগৰ অভিযানকাৰী দলটোৱে জাননী জাৰি কৰিছে।

০০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ মহাবাহু শাখাৰ ১০ কিলোৱাট শক্তিসম্পন্ন এফ এম ট্ৰান্সমিটাৰটোৰ জৰুৰী মেৰামতিৰ বাবে কালিৰে পৰা ইয়াৰ প্ৰচাৰণ বন্ধ ৰখা হৈছে। বিকল্প ব্যৱস্থা হিচাপে বৰ্তমান এশ ৱাট শক্তিসম্পন্ন আন এটা ট্ৰান্সমিটাৰৰ পৰা এফ এম মডত অনুষ্ঠান সূচী প্ৰচাৰ কৰি থকা হৈছে। গুৱাহাটীৰ নৰকাসুৰ পাহাৰত থকা আকাশবাণী আৰু গুৱাহাটীৰ আটাইকেইটা ব্যক্তিগত এফ এম ট্ৰান্সমিটাৰৰ এণ্টেনা উন্নীতকৰণৰ বাবে অহা ২৪ নৱেম্বৰৰ পৰা ২৭ নৱেম্বৰলৈ মাজনিশা ১২ বজাৰ পৰা পুৱা ৬ বজালৈ প্ৰচাৰণ বন্ধ কৰা হ'ব। ২৮ নৱেম্বৰৰ পৰা গুৱাহাটী আৰু ইয়াৰ ওচৰ-পাজৰৰ শ্ৰোতাসকলে সকলো এফ এম কেন্দ্ৰৰ অনুষ্ঠানসমূহ এতিয়াতকৈ অধিক শক্তিশালী ৰূপত শুনিব পাৰিব বুলি আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ অভিযান্ত্ৰিক শাখাৰ উপ-সঞ্চালক প্ৰধানে জনাইছে।

০০০০০০০

সমাপ্ত